## Assamese Department, Nonoi College.

**Inauguration of *ANUSHILAN* wall Magazine &**
***KRISHNA KANAI-2* Album/2021**
**Composed by Dr. Basanta Bora , Assistant Professor of Assamese Dept.**

**নৈনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ "অনুশীলন"প্ৰাচীৰ পত্ৰিকা আৰু**
**ড০ বসন্ত বৰাৰ "কৃষ্ণ কানাই-২" শ্ৰব্য সঁফুৰা উন্মোচন**
**২৫ মাৰ্চ, ২০২১**

নৈনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সাহিত্য চ'ৰাৰ উদ্যোগত ইংৰাজী ২৫ মাৰ্চ, ২০২১ তাৰিখে নৈনৈ মহাবিদ্যালয় প্ৰাংগনত বিভাগীয় প্ৰাচীৰ পত্ৰিকা "অনুশীলন- বসন্ত সংখ্যা" আৰু বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰাৰ "কৃষ্ণ কানাই-২" শ্ৰব্য সঁফুৰাটি উন্মোচন হয় । মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰিক ড০ হেমলতা দেৱীয়ে প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰি কয় যে নৈনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এয়া মহৎ প্ৰচেষ্টা । ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন-অভিজ্ঞতাৰ বৌদ্ধিক কৰ্ষণৰ কঠিয়াতলী স্বৰূপ অনুশীলন শীৰ্ষক পত্ৰিকাখনিয়ে আগন্তুক দিনবোৰত ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য-প্ৰতিভা বিকাশত দিক্ নিৰ্ণয় কৰি যাব । তেওঁ সাহিত্য চ'ৰাৰ বিষয়-বৱীয়াসকলৰ এই সৃষ্টিশীল প্ৰচেষ্টাক ধন্যবাদ জনায় । অনুষ্ঠানৰ লগত সংগতি ৰাখি ড০ বসন্ত বৰাৰ কথা, সুৰ আৰু কণ্ঠ শুৱনি ভক্তিগীত "কৃষ্ণ কানাই-২" উন্মোচন কৰে মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপিকা দেবযানী বৰাই । বক্তব্য প্ৰসংগত অধ্যাপিকা গৰাকীয়ে সংবেদনশীল গীতিকাৰ ড০ বৰাৰ গীতে ইতিমধ্যে জনসমাজত প্ৰতিষ্ঠা লাভ কৰি ৰাইজৰ আদৰ বুটলিবলৈ সক্ষম হৈছে বুলি মত প্ৰকাশ কৰে । ৰাতিৰ বাঁহী, কৃষ্ণ কানাই-১, বালিমাহী , তোমালে' মোৰ, তুমি আহিবা আদি জনপ্ৰিয় গীতৰ স্ৰষ্টা ড০ বসন্ত বৰাৰ "কৃষ্ণ কানাই-২" য়ে বসন্ত উৎসৱৰ বতৰত শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে । অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰুণু দেৱীৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানটি আঁত ধৰে ড০ বসন্ত বৰাই । পল্লৱ দাস, চয়নিকা শৰ্মা আৰু ইয়াচমিন চুলতানাই সাহিত্য চ'ৰাৰ হৈ সন্মানিত অতিথি সকলক আদৰণি জনায় । নৈনৈ মহাবিদ্যালয়ৰ IQAC ৰ সমন্বয়ক জিতু কুমাৰ বৰা, অধ্যাপক-অধ্যাপিকা ক্ৰমে -চফিয়া জাহান,ৰাতুল শইকীয়া,মেৰী ৰাণী দেৱী,আব্দুচ চালাম,ড০ আব্দুল হাকিম, তৰালি দেৱী,ভণিতা শইকীয়া,নমিষা ভূঞা, ভাগ্যশ্ৰী বৰা,সংগীতা শইকীয়া আদি ,ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল, অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আৰু কৰ্মচাৰী বৃন্দৰ পূৰ্ণ সহযোগিতাত অনুষ্ঠানটি সৌষ্ঠব পূৰ্ণ হৈ উঠে ।

## Assamese Department, Nonoi College.

**Inauguration of *ANUSHILAN* wall Magazine &**
***KRISHNA KANAI-2* Album / 25th March,2021**
**Composed by Dr. Basanta Bora , Assistant Professor of Assamese Dept.**

### Photographs:



***KRISHNA KANAI-2* Opening ceremony**




**Inauguration Speech by Debajani Borah; HOD, Dept. of History**